**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :13**-03-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

## HEADLINES

::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুৱাহাটীত ১৯ হাজাৰ ৪০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। লোকসভাত আজি ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰিৰ দ্বিতীয় পৰ্যায়ত অনুমোদন জনোৱা হয়।

৩। ভাৰতে আজি পশ্চিম এছিয়া অঞ্চলৰ বৰ্তমানৰ পৰিস্থিতিৰ মাজতে ইৰাণক ইন্ধন আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ বাধাহীন সৰবৰাহৰ গুৰুত্বৰ বিষয়ে সোঁৰৰাই দিয়ে।

৪। ভাৰত মহাসাগৰীয় অঞ্চলত ভাৰতবৰ্ষৰ সুৰক্ষা আৰু বিত্তীয় উন্নতিৰ সৈতে জড়িত হৈ থকা বিভিন্ন দিশসমূহ সুক্ষ্মভাৱে নিৰীক্ষণ কৰি থকা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে আজি জানিবলৈ দিছে।

*আৰু*

৫। ভাৰতৰ মহিলা হকী দলে ২০২৬ বৰ্ষৰ এফ আই এইচ হকী মহিলা বিশ্বকাপ কোৱালিফায়াৰৰ ছেমি ফাইনেলত আজি ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হৈ প্ৰায় ১৯ হাজাৰ ৪০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰ জিলাৰ ৪ হাজাৰ ৫৭০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। তেওঁ জিলাখনৰ বাঁশবাৰীত ২৫৬ কোটি টকা ব্যয়সাপেক্ষ মালবাহী ৰে'লৰ নিয়মিত মেৰামতি কাৰখানা, এহেজাৰ ১০১ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা কেইবাখনো উৰণ সেঁতু আৰু সোণকোষ আৰু বেঁকী নদীৰ ওপৰত দুখন দলঙৰ আধাৰশিলা স্থাপন কৰে।

বিয়লি খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অন্য এটা কাৰ্যসূচীত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে দুহেজাৰ ৪১৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ১২০ মেগাৱাট শক্তিসম্পন্ন কপিলী জলবিদ্যুৎ প্ৰকল্প, ৭৫০ কোটি টকা ব্যয়সাপেক্ষ নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট পাইপলাইনৰ ক্ষমতা বৃদ্ধি আৰু ৩ হাজাৰ ৮০০ কোটি টকা ব্যয়সাপেক্ষ উত্তৰ-পূব গেছ গ্ৰীডৰ প্ৰথম পৰ্যায় উদ্বোধন কৰে। তেওঁ লগতে নুমলীগড় শোধনাগাৰ লিমিটেডৰ ৰে'ল সংযোগী পি অ' এল টাৰ্মিনেল আৰু কেইবাটাও মুখ্য ৰে'লপথৰ বৈদ্যুতিকীকৰণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। ইয়াৰ ভিতৰত ৰঙিয়া-মুৰ্কংচেলেক, চাপৰমুখ-ডিব্ৰুগড়, বদৰপুৰ-শিলচৰ আৰু বদৰপুৰ-চুৰাইবাৰী ৰেলপথো আছে। তেওঁ লগতে ফৰকাটিং-তিনিচুকীয়া ৰে'লৰে লাইন দ্বৈতকৰণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে গুৱাহাটীৰ বেতকুছিত নিৰ্মাণ কৰা ৰাজ্যৰ প্ৰতিখন জিলা আৰু দেশৰ প্ৰতিখন ৰাজ্যৰ দোকান-পোহাৰেৰে সু-সজ্জিত, এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ আদৰ্শক প্ৰতিনিধিত্ব কৰা একতা মলৰো উদ্বোধন কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে মিছন বসুন্ধৰাৰ

অধীনত ৰাজ্যৰ ৭০৭ খন চাহ বাগিচাত বাস কৰা ৩ লাখ ৫০ হাজাৰৰো অধিক পৰিয়ালক ভূমিপট্টা প্ৰদান কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০

লোকসভাত আজি ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰিৰ দ্বিতীয় পৰ্যায়ত অনুমোদন জনোৱা হয়। এই মঞ্জুৰিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ২ লাখ ৮১ হাজাৰ কোটি টকাৰো অধিক মুঠ অতিৰিক্ত ব্যয়ৰ বাবে অনুমোদন বিচাৰিছিল। এই ব্যয়ৰ প্ৰকৃত নগদ খৰচ মূলতঃ সাৰ, ৰাজসাহায্যপ্ৰাপ্ত খাদ্য সামগ্ৰী আৰু প্ৰতিৰক্ষা সেৱাৰ লগতে আন কেইবাটাও প্ৰয়োজনীয় ক্ষেত্ৰত ব্যৱহাৰ কৰা হ'ব। আজি লোকসভাত অনুষ্ঠিত এটা আলোচনাৰ উত্তৰ দি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে এই পৰিপূৰক দাবীত মুঠ ৬১টা মঞ্জুৰি অন্তৰ্ভুক্ত হৈ আছে। তেওঁ লগতে চৰকাৰে সামগ্ৰিকভাৱে সমষ্টিগত অৰ্থনৈতিক আন্তঃগাঁথনি সামগ্ৰিকভাৱে শক্তিশালী কৰি তোলা বুলি উল্লেখ কৰি ইয়াৰ ফলস্বৰূপে আমাৰ দেশে বিভিন্ন ধৰণৰ অৰ্থনৈতিক প্ৰতিকূলতাক মূল বিত্তীয় একত্ৰীকৰণ ৰূপৰেখাৰ পৰা আঁতৰি নহাকৈ অতিক্ৰম কৰিবলৈ সমৰ্থ হোৱা বুলি জানিবলৈ দিয়ে। যোগান শৃংখল আৰু ৰন্ধন গেছৰ সৈতে জড়িত যিকোনো বাধা প্ৰতিৰোধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ সম্পূৰ্ণৰূপে সাজু বুলিও বিত্ত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ভাৰতে আজি পশ্চিম এছিয়া অঞ্চলৰ বৰ্তমানৰ পৰিস্থিতিৰ মাজতে ইৰাণক ইন্ধন আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ বাধাহীন সৰবৰাহৰ গুৰুত্বৰ বিষয়ে সোঁৱৰাই দিয়ে। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত অনুষ্ঠিত আন্তঃমন্ত্ৰালয় বৈঠকৰ সময়ছোৱাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ানৰ সৈতে মত-বিনিময় কৰাৰ কথা প্ৰকাশ কৰে। মত-বিনিময় কালত ইৰাণৰ লগতে পশ্চিম এছিয়া অঞ্চলত বসবাস কৰা ভাৰতীয় নাগৰিকৰ সুৰক্ষা আৰু নিৰাপত্তাক ভাৰতৰ সৰ্বাধিক অগ্ৰাধিকাৰৰ বিষয় বুলি শ্ৰীমোদীয়ে ইৰাণৰ ৰাষ্ট্ৰপতিগৰাকীক জানিবলৈ দিয়ে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ত পশ্চিম এছিয়াৰ পৰিস্থিতিৰ প্ৰেক্ষাপটত স্থাপন কৰা নিয়ন্ত্ৰণ কক্ষই পূৰ্ণগতিত কাম কৰি থকা বুলি উল্লেখ কৰি শ্ৰীজয়ছোৱালে বৰ্তমানলৈকে প্ৰায় ৯০০ ফোনকল আৰু ২০০ ইমেইল লাভ কৰা বুলিও জানিবল দিয়ে। যোৱা কেইটামান দিনত ১৭০ গৰাকী ভাৰতীয় নাগৰিকে ইৰাণৰ সীমান্ত অঞ্চলেৰে আৰ্মেনিয়ালৈ যোৱা বুলিও তেওঁ প্ৰকাশ কৰে।

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই বৈঠকত পেট্ৰ'ল আৰু ডিজেল উৎপাদনৰ ক্ষেত্ৰত আমাৰ দেশ স্বনিৰ্ভৰ বুলি মন্তব্য কৰে। দেশৰ সকলো শোধনাগাৰে বৰ্তমান ১০০ শতাংশ ক্ষমতাৰে কাম কৰি আছে আৰু খাৰুৱা তেলৰ ক্ষেত্ৰত পৰ্যাপ্ত ভাণ্ডাৰ মজুত থকা বুলিও তেওঁ জানিবলৈ দিয়ে। ৰন্ধন গেছৰ সন্দৰ্ভত যুটীয়া সচিবগৰাকীয়ে কয় যে এইটো কিছু পৰিমাণে উদ্বেগৰ বিষয় যদিও বৰ্তমান দেশৰ ২৫ হাজাৰ বিতৰকৰ ভিতৰত কাৰোৰেই ওচৰত ৰন্ধন গেছৰ আকাল হোৱা নাই। তেওঁ লগতে নাগৰিকসকলক ৰন্ধন গেছৰ যোগান সন্দৰ্ভত কোনো ধৰণৰ উৰা বাতৰিত আতংকিত হৈ অযথা ক্ৰয় নকৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ৰন্ধন গেছৰ ক'লা বজাৰ আৰু অবৈধ মজুতকৰণৰ বিৰুদ্ধে উচিত ব্যৱস্থা লোৱাৰ কথাও প্ৰকাশ কৰে।

০০০০

ভাৰত মহাসাগৰীয় অঞ্চলত ভাৰতবৰ্ষৰ সুৰক্ষা আৰু বিত্তীয় উন্নতিৰ সৈতে জড়িত হৈ থকা বিভিন্ন দিশসমূহ সুক্ষ্মভাৱে নিৰীক্ষণ কৰি থকা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে আজি জানিবলৈ দিছে। লোকসভাৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে ভাৰত মহাসাগৰীয় অঞ্চলত ভাৰতৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। তেওঁ কয়, যে ভাৰত মহাসাগৰীয় অঞ্চল সমন্বিতে আন দেশসমূহৰ সৈতে থকা ভাৰতৰ সম্পৰ্কৰ সিদ্ধান্ত সম্পূৰ্ণ নিজাববীয়া আৰু তৃতীয় বিশ্বৰ দেশসমূহৰ লগত গঢ়ি উঠা আন সম্পৰ্কৰ সৈতে ইয়াৰ কোনো যোগাযোগ নাই। ড০ জয়শংকৰে লগতে কয়, যে গোলকীয় কৌশল ব্যৱস্থাৰ অংশ হিচাপে চীনে বিকশাই তোলা বন্দৰসমূহ আৰু লগতে ভাৰত মহাসাগৰীয় অঞ্চলৰ নিকটৱৰ্তী এলেকাসমূহত যোৱা কেইবা বছৰো ধৰি দেশখনে নিৰ্মাণ কৰি থকা আন্তঃগাঁথনিসমূহৰ বিষয়ে ভাৰত অৱগত। প্ৰতিবেশী প্ৰথম নীতি, এক্ট ইষ্ট পলিচী আৰু মহাসাগৰ দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে অংশীদাৰ প্ৰতিবেশী দেশসমূহৰ সৈতে আঞ্চলিক সহযোগিতা অধিক কটকটীয়া কৰাৰ দিশত কাম কৰি থকাৰ বিষয়েও উল্লেখ কৰে।

০০০০

বিজেপিয়ে আজি মেঘালয়ৰ গাৰো পাহাৰত বসবাস কৰি থকা জনজাতীয় লোকসকলৰ সাংবিধানিক অধিকাৰসমূহৰ অপব্যৱহাৰ হোৱাৰ কথা উল্লেখ কৰি কয়, যে বৰ্তমান সময়ত ভাৰতৰ সংবিধানৰ অধীনত এই অধিকাৰসমূহ সুৰক্ষা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নতুন দিল্লীত আজি এখন সংবাদমেল সম্বোধন কৰি বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদে কয়, যে মেঘালয়ৰ গাৰো পাহাৰ অঞ্চলত প্ৰবেশ কৰা অনুপ্ৰবেশকাৰীসকলৰ বাবে অঞ্চলটোত অশান্তিজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। সাংসদগৰাকীয়ে তৃণমূল কংগ্ৰেছ দলৰ এগৰাকী প্ৰাৰ্থীয়ে গাৰো পাহাৰ স্বায়ত্ত শাসিত জিলা পৰিষদৰ নিৰ্বাচনত মনোনয়ন দাখিল কৰিবলৈ বিচৰাৰ বিষয়ে উল্লেখ কৰি কয় যে প্ৰাৰ্থীজনৰ জনজাতীয় পৰিচয় সন্দৰ্ভত প্ৰশ্ন উত্থাপিত হোৱাৰ পাছতেই অঞ্চলটোত প্ৰতিবাদ সাব্যস্ত হয়। তেওঁ লগতে উল্লেখ কৰে যে এই সময়ছোৱাত উদ্ভৱ হোৱা অপ্ৰীতিকৰ পৰিস্থিতিৰ ফলস্বৰূপে দুজন স্থানীয় লোকে প্ৰাণ হেৰুৱায়। শ্ৰীপ্ৰসাদে অভিযোগ উত্থাপন কৰি কয় যে কেৱল আদিবাসী প্ৰমাণ-পত্ৰ থকা লোকসকলেহে নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়াব পাৰে যদিও অনুপ্ৰবেশকাৰীসকলে স্থানীয় যুৱতীৰ সৈতে বিবাহ পাশত আবদ্ধ হৈ ভুৱা প্ৰমাণ-পত্ৰৰে প্ৰাৰ্থিত্ব আগবঢ়ায় আৰু গাৰো পাহাৰ স্বায়ত্ত শাসিত জিলা পৰিষদৰ নিৰ্বাচনত জয়লাভ কৰিবলৈ সমৰ্থ হয়। তেওঁ কয় যে বিজেপিয়ে সদায় গাৰো পাহাৰৰ জনজাতীয় সম্প্ৰদায়ৰ অধিকাৰৰ হকে থিয় দি আহিছে আৰু এই লোকসকলৰ অধিকাৰসমূহক যাতে সুৰক্ষা প্ৰদান কৰিব পৰা যায় তাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

০০০০

ভাৰতৰ মহিলা হকী দলে ২০২৬ বৰ্ষৰ এফ আই এইচ হকী মহিলা বিশ্বকাপ কোৱালিফায়াৰৰ ছেমি ফাইনেলত আজি ইটালীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসাৰে সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে হায়দৰাবাদত চলি থকা কোৱালিফায়াৰ প্ৰতিযোগিতাখনৰ ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ লগে লগে ২০২৬ বৰ্ষৰ হকী বিশ্বকাপত ভাৰতৰ অংশগ্ৰহণ নিশ্চিত হৈ পৰিছে। কোৱালিফায়িং পৰ্যায়ৰ শীৰ্ষৰ তিনিটা দল আৰু চতুৰ্থ স্থানত থকা দলটোৱে অহা ১৫ৰ পৰা ৩০ আগষ্টলৈ বেলজিয়াম আৰু নেডাৰলেণ্ডছত হ'বলগীয়া মূল খেলসমূহত অংশগ্ৰহণ কৰিব পাৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ